**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বিভিন্ন জিলাত ছাত্ৰ-ছাত্ৰী আৰু হিতাধিকাৰীৰ মাজত বিভিন্ন আঁচনিৰ অধীনত বঁটা প্ৰদান কৰাৰ লগতে আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।

**বৰপেটা** জিলাত এই উপলক্ষে অনুষ্ঠিত বিশেষ কাৰ্যসূচীত পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। অসমক ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্যত অন্তৰ্ভুক্ত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত চৰকাৰে তেওঁলোকক যথাযুক্ত সহায় আগবঢ়াব বুলি কয়।

**নগাঁও** জিলাত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। নগাঁও চহৰৰ পানীগাঁও চাৰিআলিত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে বিভিন্ন হিতাধিকাৰীক মাইক্ৰ'ফাইনেন্সৰ ঋণ মুক্তিৰ প্ৰমাণপত্ৰ বিতৰণ কৰাৰ লগতে জিলাখনৰ বান ক্ষতিগ্ৰস্ত লোকক আৰ্থিক সাহায্যৰ চেকসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে। তদুপৰি মন্ত্ৰীগৰাকীয়ে আত্মসহায়ক গোটৰ দ্বাৰা পৰিচালিত বিভিন্ন ক্ষুদ্ৰ উদ্যোগসমূহক উদগণিমূলক সাহায্যৰ চেকো বিতৰণ কৰে।

ইফালে **লখিমপুৰত** আয়োজিত বিকাশৰ ১২ দিন কাৰ্যসূচীত মন্ত্ৰী ৰূপেশ গোৱালাই জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন আঁচনিৰ পুৰস্কাৰসমূহ বিতৰণ কৰে।

**বিশ্বনাথ** জিলাৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিভিন্ন আঁচনিৰ বঁটাসমূহ বিতৰণ কৰাৰ লগতে মন্ত্ৰী শ্ৰীসিংহলে জিলাখনৰ অভিভাৱক মন্ত্ৰী হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডত অনুষ্ঠিত বিকাশৰ ১২ দিন কাৰ্যসূচীত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। অহা ২৬ ডিচেম্বৰৰ পৰা ১৩ জানুৱাৰী পৰ্যন্ত পৰীক্ষাৰ বাবে অনলাইন প্ৰ-পত্ৰ পূৰণ কৰিব পৰা যাব। প্ৰতিগৰাকী পৰীক্ষাৰ্থীয়ে আবেদনৰ লগত ২৫০ টকাকৈ মাচুল দিব লাগিব। শিক্ষা ব'ৰ্ডে লগতে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰববীক তেওঁলোকৰ পৰীক্ষাৰ্থীসকলক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনাইছে।

০০০০

নগাঁও জিলাৰ ৰহাৰ ইতিহাস প্ৰসিদ্ধ জোঙাল বলহু গড় মীন পামখন আজি বিয়লি কেন্দ্ৰীয় চৰকাৰৰ মীন বিভাগৰ যুটীয়া সচিব সাগৰ মেহৰাই পৰিদৰ্শন কৰে। ৫ দিনীয়া ভ্ৰমণসূচীৰে উত্তৰ-পূবলৈ অহা সচিব গৰাকীয়ে আজি মীন পামখনত উপস্থিত হৈ জিলা মীন বিভাগৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত অংশ লয়। তেওঁ প্ৰধানমন্ত্ৰীৰ মৎস্য সম্পদ যোজনাৰ বিষয়ে বুজ লৈ এই যোজনাৰ অধীনত পঞ্জীয়ন কৰিবলৈ মৎস্য ব্যৱসায়ীসকলক আহ্বান জনায়।

০০০০

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ শোণিতপুৰ জিলা শাখাৰ উদ্যোগত আৰু ওদালগুৰি, বিশ্বনাথ তথা দৰং জিলাৰ সহযোগত আজি জিলাখনৰ জয়মতী পথাৰত নিয়োগ মেলা অনুষ্ঠিত হয়। এই মেলাত ৮০৩ গৰাকী চাকৰি প্ৰত্যাশী ব্যক্তি আৰু ২৬টা কোম্পানীৰ নিয়োগকাৰী উপস্থিত থাকে। বহিঃৰাজ্যৰ কেইবাটাও কোম্পানীয়ে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে প্ৰাৰ্থীৰ সাক্ষাৎকাৰ গ্ৰহণ কৰে। এই মেলাত ২৫৮ জন প্ৰাৰ্থীয়ে নিযুক্তি পত্ৰ লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০

তামুলপুৰ জিলাৰ নিখিল বড়ো ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন তামুলপুৰ আঞ্চলিকৰ ৩৭ সংখ্যক অধিৱেশনৰ আজি সামৰণি পৰিছে। তিনি দিনীয়াকৈ অনুষ্ঠিত এই অধিৱেশনৰ আজি অন্তিম দিনা নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়োৱে অংশ লৈ ভাষণ দিয়ে। ছাত্ৰ সংগঠনটোৱে বি টি আৰত শান্তি আৰু উন্নয়ন বিচাৰে বুলি মন্তব্য কৰি শ্ৰী বড়োৱে বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়োক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ মুকলি সভাত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়েও অংশগ্ৰহণ কৰে।

০০০০

গুৱাহাটী মহানগৰীখন স্বচ্ছ তথা সেউজ কৰি ৰখাৰ বাবে গুৱাহাটী পৌৰ নিগমে নিয়মীয়াকৈ গ্ৰহণ কৰা কাৰ্যসূচীৰ অধীনত আজি মহানগৰীৰ ৬টা সংমণ্ডলৰ ৪৭টা স্থানত চাফাই অভিযান চলোৱা হয়। পৌৰ নিগমে অহা ১৫ মাৰ্চ পৰ্যন্ত এই অভিযানৰ অধীনত মহানগৰীখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি তোলাৰ লক্ষ্য লৈছে।

০০০০

ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক পদৰ বাবে টেট তথা নিযুক্তি পৰীক্ষা অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে হ'বলগীয়া টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক দিয়া নিৰ্দেশৰ পাছতে বিভাগে আজি এই বিষয়ে প্ৰকাশ কৰিছে।

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে ৩ জানুৱাৰীৰ দিনৰ ১১ বজাৰ পৰা মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট madhyamik.assam.gov.inৰ জৰিয়তে প্ৰৱেশ পত্ৰসমূহ পুনৰ ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, ২৯ ডিচেম্বৰত এই পৰীক্ষা হোৱাৰ কথা আছিল যদিও পৰীক্ষাৰ পাঠ্যসূচী সলনি কৰাক লৈ ৬২ জন প্ৰাৰ্থীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰে। আবেদনৰ শুনানি গ্ৰহণ কৰি কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই সন্দৰ্ভত নিৰ্দেশ প্ৰদান কৰে। গোচৰীয়া পক্ষৰ হৈ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে যুক্তি দৰ্শাই কয়, যে খেল এখন আৰম্ভ কৰাৰ

পাছত নিয়ম সলনি কৰাটো যুক্তিসন্মত নহয়। উল্লেখযোগ্য যে,  শিক্ষা বিভাগে ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ পৰীক্ষাৰ পাঠ্যসূচীত অন্তৰ্ভুক্ত কৰে। গোচৰীয়া পক্ষৰ অধিবক্তাৰ এই যুক্তি মানি লৈ ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই দিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০

সমাপ্ত